# অসম আদিত্য

চ'ত, ১৯৪৭ শক ■ দেওবাৰ, ২৯ মাৰ্চ, ২০২৬ ■ Asom Aditya, Dibrugarh, Sunday, March 29, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী


## চিকিৎসা গৱেষণা পৰিষদ নিৰীক্ষণ
# কানৈ কলেজৰ জৈৱ-প্ৰযুক্তি বিভাগৰ শিক্ষাৰ্থীৰ

**ষ্টাফ ৰিপৰ্টাৰ, ২৮ মাৰ্চ ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ জৈৱ প্ৰযুক্তি বিভাগৰ দ্বিতীয় ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে ২৬ মাৰ্চত ডিব্ৰুগড়স্থিত ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদ (চমুকৈ আইচিএমআৰ) ভ্ৰমণ কৰে। জৈৱ প্ৰযুক্তি বিভাগৰ মুৰব্বী অতনু কোঁৱৰ আৰু অধ্যাপিকা ভাস্বতী গগৈৰ নেতৃত্বত যোৱা শিক্ষাৰ্থীৰ দলটোৱে আইচিএমআৰত উপস্থিত হোৱাৰ পিছত বিজ্ঞানী ড° অনিৰুদ্ধ জাখাৰীয়াই শিক্ষাৰ্থীসকলক আইচিএমআৰৰ উৎপত্তি, ইয়াৰ বিভিন্ন বিভাগ আৰু বৰ্তমান চলি থকা গৱেষণা প্ৰকল্পসমূহৰ বিষয়ে বিস্তৃতভাৱে অৱগত কৰে। তেওঁ বিশেষকৈ ৮ পৃষ্ঠাত

## বয়োজ্যেষ্ঠ-দিব্যাং
# প'ষ্টেল বেলটৰ সু

**বিশেষ প্ৰতিবেদক, তিনিচুকীয়া, ২৮ মাৰ্চ ঃ** জ আইন-১৯৫১ৰ ধাৰা ৬০ (চি) অনুসৰি ৮৫ জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগ ভোটাৰসক প'ষ্টেল বেলটৰ মাধ্যমেৰে ভোটদান কৰিব অনুসৰি সমাগত বিধানসভা নিৰ্বাচন-২০ তিনিচুকীয়া জিলাত ১,৪২৪ গৰাকী ৮৫বছৰ

শান্তি

ড'না

ক

কীয়া

তা হৈছে
। কবিতা
ৰ কৰে।
কোনেও
সৌন্দৰ্য



# অসম আদিত্য

চ'ত, ১৯৪৭ শক ■ দেওবাৰ, ২৯ মাৰ্চ, ২০২৬ ■ Asom Aditya, Dibrugarh, Sunday, March 29, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী

ি পৃষ্ঠাৰ পৰা

## ায়েই নতুন ঘৰত ভূপেনৰ

ণভিত্তিনথকা নেতা বৰাৰ ওচৰত সৰ্বেসৰ্বা হৈ উঠাৰ অভিযোগত প্ৰকাশ ঘটিছে নেতা-কৰ্মী মুখেৰে। দলৰ প্ৰাৰ্থিত্ব লাভ কৰি নিৰ্বাচনী ল আৰম্ভ কৰি ভূপেন কুমাৰ বৰাই ৰাজ্যিক বিজেপি নেতৃত্বই নোৱা সমষ্টি নিৰ্বাচনী প্ৰবন্ধন সমিতিখনত একাষৰীয়া কৰি ৰে নিৰ্বাচন পৰিচালনা সমিতি গঠন কৰি আৰম্ভ কৰিছে প্ৰচাৰ দ্যপ্ৰাক্তন বিধায়ক অমিয় কুমাৰ ভূঞাৰ কাৰ্যকালতে গঠন কৰা ৰাজ্যিক নেতৃত্বই অনুমোদন জনাইছিল বিহপুৰীয়া বিধানসভা প্ৰবন্ধন সমিতিৰূপে। কাৰ্যতঃ এইখন সমিতিৰ দ্বাৰা সমষ্টিটোত ালনা হ'ব লাগে যদিও ভূপেন কুমাৰ বৰাৰ সোঁৱে-বাৱেঁ থকা াৰ বাবে কাৰ্যতঃ সমিতিখনক অকামিলা কৰি সমান্তৰালভাৱে ৰ্বাচন পৰিচালনা সমিতি নামৰ এখন সমিতি গঠন কৰি কাম- ছে। ৰাজ্যিক নেতৃত্বই অনুমোদন জনোৱা সমিতিখনত নিতুমণি পতিৰ দায়িত্ব প্ৰদান কৰি প্ৰস্তুত কৰা সমিতিখনৰ বিপৰীতে গঠন পৰিচালনা সমিতিখনৰ সভাপতিৰ দায়িত্ব প্ৰদান কৰা হ'ল বীৰেন্দ্ৰ ৰ্ক। শুকুৰবাৰে নাৰায়ণপুৰত হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত অনুষ্ঠিত সংকল্প সভাত নিৰ্বাচন পৰিচালনা সমিতিৰ সভাপতি বীৰেন্দ্ৰ ীয়ে পৰিচালনা কৰা কাৰ্যত তীব্ৰ অসন্তুষ্টি পৰিলক্ষিত হৈছে ৱান নেতা-কৰ্মীসকলৰ মাজত। ভূপেন বৰাৰ তৈলমৰ্দন কৰি া গৰিষ্ঠসংখ্যক নেতা-কৰ্মীৰ কৰ্মকাণ্ডত এতিয়া অসন্তুষ্টি বিৰাজ ৰ ভিতৰচ'ৰাত। সমষ্টিটোত প্ৰাৰ্থিত্বকেন্দ্ৰিক সংঘাত আৰু ভূপেন ক কেন্দ্ৰ কৰি বহুধাবিভক্ত বিজেপি একেলগ হোৱা পৰিৱেশ সৃষ্টি শ নেতাৰ কৰ্মকাণ্ডই পুনৰ দলটোৰ ভিতৰচ'ৰাত তীব্ৰ অসন্তুষ্টিয়ে ৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। সমষ্টিটোৰ বিধায়ক নৌহওঁতেই কাযত থকা একাংশ নেতাৰ মইমতালিয়ে দলটোক সংগঠন

## চিকিৎসা গৱেষণা পৰিষদ

কৰ'না মহামাৰীৰ সময়ত উত্তৰ-পূৰ্ব ভাৰতত আইচিএমআৰৰ গুৰুত্বপূৰ্ণ অৱদানৰ কথা উল্লেখ কৰে। ইয়াৰ পিছত শিক্ষাৰ্থীসকলক ভাইৰ'লজি বিভাগলৈ লৈ যোৱা হয়, য'ত ডিএনএ আৰু আৰএনএ নিষ্কাশনৰ উন্নত যন্ত্ৰসমূহ প্ৰদৰ্শন কৰা হয়। পিচিআৰ প্ৰসাৰণ প্ৰক্ৰিয়া আৰু প্ৰসাৰিত ডিএনএৰ ফলাফল কেনেদৰে বিশ্লেষণ কৰা হয়, তাক ছাত্ৰ-ছাত্ৰীসকলৰ আগত প্ৰদৰ্শন কৰে। ইয়াৰোপৰি অত্যাধুনিক ডিজিটেল ইনভাৰ্টেড মাইক্ৰ'স্ক'পৰ সহায়ত ছাত্ৰ-ছত্ৰীসকলক বিভিন্ন কোষৰেখা, কেঞ্চাৰ কোষসহ চোৱাৰ সুবিধা প্ৰদান কৰে। এণ্টম'লজি বিভাগত শিক্ষাৰ্থীসকলে মহৰ বিভিন্ন প্ৰজাতি- Anopheles, Aedes, Culex আৰু সিহঁতৰ জীৱনচক্ৰ 'লাৰ্ভা আৰু পিউপা অৱস্থাসহ' প্ৰত্যক্ষভাৱে পৰ্যবেক্ষণ কৰোৱায়। সমগ্ৰ ভ্ৰমণসূচী বিজ্ঞানী ড° গৌতম হাজৰিকাই সুসংগঠিতভাৱে পৰিচালনা কৰে। জ্যেষ্ঠ বিজ্ঞানী ড° ছিৰাজ আহমেদ খানে কেন্দ্ৰটো পৰিদৰ্শন কৰাৰ অনুমতি প্ৰদান কৰে আৰু শিক্ষাৰ্থীসকলৰ সৈতে মত-বিনিময় কৰি আইচিএমআৰৰ ডায়াগন'ষ্টিক্স, ভেকচিন উন্নয়ন আৰু মানুহ-প্ৰাণীৰ পাৰস্পৰিক সম্পৰ্ক বিষয়ক গৱেষণাৰ ওপৰত গভীৰ দৃষ্টিভংগী প্ৰদান কৰে। বিজ্ঞানী ড° বিশ্বজ্যোতি বৰকাকতিয়ে শিক্ষাৰ্থী আৰু শিক্ষকসকলক ইণ্টাৰ্নশ্বিপ আৰু শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰে, যাতে তেওঁলোকে বিভিন্ন ম'লিকিউলাৰ বায়'লজি আৰু বায়'কেমিষ্ট্ৰীৰ প্ৰযুক্তিত হাতে-কামে অভিজ্ঞতা অৰ্জন কৰিব পাৰে। আনহাতে, বিজ্ঞানী ড° কৌস্তুভ বৰাই উত্তৰ-পূৰ্ব ভাৰতত প্ৰচলিত হিমগ্ল'বিন'পেথি বিষয়ত ব্যাখ্যা দি ব্যক্তিগত ৰক্তগোট জানিবলৈ ছাত্ৰ-ছাত্ৰীসকলক সুবিধা প্ৰদান কৰে। ছাত্ৰ-ছাত্ৰীসকলক এনে এক সুন্দৰ অত্যাধুনিক কেন্দ্ৰ ভ্ৰমণ কৰিবলৈ সুবিধা প্ৰদান কৰাৰ বাবে বিভাগৰ মুৰব্বী অতনু কোঁৱৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে আইচিএমআৰৰ কৰ্তৃপক্ষক কেন্দ্ৰটো ভ্ৰমণ কৰিবলৈ সুবিধা প্ৰদান কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে।

## অখিলক ধৰাশায়ী কৰাৰ

প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী, ৰাইজৰ দলৰ সভাপতি অখিল গগৈক তীব্ৰ সমালোচনা কৰি কুশল দুৱৰীয়ে কয় যে কথা চহকী অখিল গগৈক যোৱা নিৰ্বাচনত জে'লৰ পৰা মুক্তি দিয়াৰ স্বাৰ্থত ৰাইজে ভোট দিছিল, এইবাৰ নিদিয়ে। বিগত পাঁচটা বছৰত বিধায়ক হিচাপে অখিল গগৈৰ অকৰ্মণ্যতাৰ কাৰণে বিভিন্ন আঁচনি ৰূপায়ণ, বাট-পথ নিৰ্মাণৰ ক্ষেত্ৰত সমষ্টিটো পিছ পৰি ৰ'ল। আনহাতে, বৰ্তমান বিলুপ্ত হোৱা আমগুৰি সমষ্টিৰ বিধায়ক তথা এইবাৰ শিৱসাগৰ সমষ্টিৰ অগপ দলৰ প্ৰাৰ্থী প্ৰদীপ হাজৰিকাকো তীব্ৰ সমালোচনা কৰি দুৱৰীয়ে কয় যে সুযোগ থকাৰ সত্ত্বেও বিজেপি মিত্ৰ দলৰ বিধায়ক প্ৰদীপ হাজৰিকাই বিশেষ কাম কৰিব নোৱাৰিলে, যাৰ বাবে অগপ দলৰ কৰ্মীসকলে বিজেপিত যোগদান কৰিছে। উল্লেখ্য যে শিৱসাগৰ সমষ্টিত নতুনকৈ অন্তৰ্ভুক্ত হোৱা পূৰ্বৰ আমগুৰি সমষ্টিৰ পঞ্চায়তকেইটাত বিজেপি দলৰ প্ৰাৰ্থীজনে ধাৰাবাহিকভাৱে নিৰ্বাচনী প্ৰচাৰ জোৰদাৰ কৰি তুলিছে। প্ৰতিখন নিৰ্বাচনী সভাতেই বিভিন্ন দলৰ কৰ্মীক বিজেপিত যোগদান কৰা দেখা গৈছে। আজিও কংগ্ৰেছ, অগপ আৰু ৰাইজৰ দলৰ পৰা অৰ্ধশতাধিক কৰ্মীয়ে বিজেপি দলত যোগদান কৰে। আজিৰ সভাত বিভিন্ন বুথৰ বিজেপিৰ কাৰ্যকৰ্তা আৰু শতাধিক লোক উপস্থিত আছিল।

## লেখিকা সংস্থাৰ গ্ৰন্থ উন্মোচনী

আৰু উৎপলা দাস। সভাখনি উদ্বোধন কৰে শাখাৰ কাৰ্যকৰী সভাপতি উৎপলা দাসে। অনিমা কোচ গগৈয়ে সভাপতিত্ব কৰা অনুষ্ঠানটিৰ আঁত ধৰে শাখাৰ সম্পাদক পৰিমালা কোঁৱৰে। উক্ত সভাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গ্ৰন্থাগাৰিক সদ্যপ্ৰয়াত ড° উৎপল দাসৰ স্মৰণত এক মিনিট সময় মৌন প্ৰাৰ্থনা জনোৱা হয়। সভাত জিতা ডেকা হাজৰিকাই কবিতা আবৃত্তি আৰু গৌৰী শইকীয়াই গীত পৰিৱেশন কৰে। সভাৰ মুখ্য কাৰ্যসূচী হিচাপে ডিব্ৰুগড় শাখা লেখিকা সংস্থাৰ দ্বাৰা প্ৰকাশিত দখনকৈ গ্ৰন্থ